**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-07-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ তিনিজন শীৰ্ষ স্থানীয় নেতাকে ধৰি ১৯ জন উগ্ৰপন্থী কালি ম্যানমাৰত নিহত হয়। ভাৰতীয় সেনা বাহিনীয়ে কালি পুৱতি নিশা চলোৱা ড্ৰোন আক্ৰমণত ম্যানমাৰৰ পূব অংশত থকা উগ্ৰপন্থী সংগঠনটোৰ মুখ্য কাৰ্যালয়সমূহক লক্ষ্য কৰি লোৱা হৈছিল বুলি নিষিদ্ধ ঘোষিত সংগঠনটোৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই প্ৰকাশ কৰিছে। সংগঠনটোৱে জাৰি কৰা এটা বিবৃতিত আন ১৯ গৰাকী সদস্য আহত হৈছে বুলি উল্লেখ কৰা হৈছে। এই অভিযানত স্বঘোষিত লেফটেনেণ্ট জেনেৰেল নয়ন মেধি ওৰফে নয়ন অসমৰ মৃত্যু হৈছে বুলি বিবৃটোত লগতে প্ৰকাশ কৰা হৈছে। শেহতীয়াকৈ কৰা আক্ৰমণত ব্ৰিগেডিয়েৰ গণেশ অসম আৰু কৰ্ণেল প্ৰদীপ অসমৰ মৃত্যু হৈছে বুলি উগ্ৰপন্থী সংগঠনটোৱে দাবী কৰিছে। অৱশ্যে ভাৰতীয় সেনা বাহিনীয়ে এনে ধৰণৰ কোনো অভিযান চলোৱাৰ কথা নুই কৰিছে। প্ৰতিৰক্ষা বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়া কৰ্ণেল এম এছ ৰাৱটে গুৱাহাটীত ভাৰতীয় সেনা বাহিনীয়ে এই বিষয়ে অৱগত নহয় বুলি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এই ঘটনাত ৰাজ্যিক আৰক্ষী জড়িত নহয় বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

ooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰে বানপীড়িত অঞ্চলসমূহৰ মহিলা তথা শিশুসকলৰ স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়া বুলি কালি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি গোলাঘাট জিলাৰ মৰঙী ৰাজহ চক্ৰৰ অধীনৰ মিঠা আম চাপৰিৰ বান প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰে। ড০ শৰ্মাই বানপীড়িত ৰাইজৰ সৈতে মত-বিনিময় কৰাৰ উপৰি বান সাহায্য শিবিৰসমূহৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। তেওঁ শিমলুচাপৰি প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় পাৰ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বানপীড়িত লোকসকলক সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

ooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি যোৰহাট জিলাৰ তিতাবৰত চাৰিটা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। অঞ্চলটোৰ চাহ বাগিচাসমূহৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে পৰিবহণ ব্যৱস্থা সুচল কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ বাবে নাবাৰ্ডৰ পুঁজিৰ অধীনত তিতাবৰ বিধানসভা সমষ্টিৰ ৩৪ খন চাহ বাগিচাৰ বাবে মুঠ ২৩টা পেকেজ সামৰি ৩ হাজাৰ ৪৩ লাখতকৈ অধিক টকাৰ ব্যয় সাপেক্ষে ৪২ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ ৬৩টা পথ নিৰ্মাণ কৰা হ'ব। ৰাজ্যিক মন্ত্ৰীগৰাকীৰ লগত অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ, ঠেঙাল-কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী

সদস্য, পৰিষদৰ অধ্যক্ষ, যোৰহাট জিলা আয়ুক্ত, তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়কৰ লগতে জিলা আৰক্ষী অধীক্ষকসহ বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

0000000

জিষ্ট নাগৰিক মঞ্চ, যোৰহাটৰ উদ্যোগত কালি যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ ভৱিষ্যৎ মন্থন আৰু স্বতন্ত্ৰীয়া বিকাশৰ ৰূপৰেখা নিৰ্ণয় সন্দৰ্ভত এখন নাগৰিক সভা অনুষ্ঠিত হয়। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, যোৰহাট জিলা সমিতিৰ সভাপতি অসীমজ্যোতি শইকীয়াৰ লগতে ভালে সংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

0000000

ৰাজ্যৰ শক্তিমন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে  কালি মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত ডিব্ৰুগড়ৰ ৪৬ গৰাকী ৰোগী আৰু তেঁওলোকৰ পৰিয়ালক এককালিন সাহায্যৰ চেক প্ৰদান কৰে। এই অৰ্থ সাহায্যই ৰোগীসকলৰ পৰিয়ালক সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

0000000

যোৰহাট ষ্টেডিয়ামত কালি ১৫ বছৰ অনুৰ্ধ আন্তঃজিলা ছাব জুনিয়ৰ বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ল'ৰাৰ শ্ৰেষ্ঠ দল হিচাপে গুৱাহাটী বক্সিং দল নিৰ্বাচিত হোৱাৰ লগতে লখিমপুৰৰ ছোৱালী বক্সিং দল ছোৱালীৰ শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয়।

0000000

ডিব্ৰুগড় জিলাৰ বকপৰা মাজগাঁৱত কালি পুখুৰীত পিছলি পৰি অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন গগৈৰ মৃত্যু হয়। গাভৰুপথাৰ আৰক্ষী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী ঘটনাস্থলীত উপস্থিত হৈ লোকজনৰ মৃতদেহ উদ্ধাৰ কৰে। গাভৰুপথাৰ আৰক্ষী মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। টিমনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধানশিক্ষক হিচাপে তেওঁ অৱসৰ গ্ৰহণ কৰিছিল। বিনা বেতনে ওৰে জীৱন শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা সুৰেন গগৈৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

ইপিনে জিলাখনৰ ডিকমত ৰে'লৰ খুন্দাত এজন লোকৰ থিতাতে মৃত্যু হয়। ডিকমৰ আঞ্চলিক চাহ গৱেষণা কেন্দ্ৰৰ সমীপত সংঘটিত এই দুৰ্ঘটনাত মৃত্যু হোৱা লোকজনক আলিমূৰৰ খৰিকটীয়া চুকৰ কৃষ্ণ শৰ্মা বুলি জানিব পৰা গৈছে।

0000000

যোৰহাট কৃষ্ণ নগৰৰ অইল ইণ্ডিয়াৰ পাইপ লাইনৰ খালত পৰি নিতুমণি শইকীয়া নামৰ এজন যুৱকৰ মৃত্যু হয়। কৃষ্ণনগৰ-পাইপ লাইন সংযোগী মুক্তিযোদ্ধা পথৰ দাঁতিত থকা এটা খালত বোকাৰে লুটুৰি-পুটুৰি হৈ থকা এটা মৃতদেহ স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। সেই মৰ্মে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। নিহত যুৱকজন কৃষ্ণনগৰ অঞ্চলৰ বাসিন্দা বুলি আৰক্ষীয়ে সদৰি কৰিছে।

0000000

**সমাপ্ত**